# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-05-2024
**Time :** 0600 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - -

ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিছে। এইটো পৰ্যায়ত অহা ২৫ মে’ত ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ’ব। এই সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু আৰু কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে।

উল্লেখযোগ্য যে ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ’বলগীয়া ৫৮টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৮৮৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পৰহিলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ’ব।

আজি প্ৰচাৰৰ অন্তিম দিনা প্ৰধান ৰাজনৈতিক দলৰ নেতা আৰু প্ৰাৰ্থীসকলে সমষ্টিসমূহৰ ভোটদাতাৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলায়। ইফালে, লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবেও প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ’ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়ানাৰ ভিৱানী-মহেন্দ্ৰগড়ত দলৰ হৈ প্ৰচাৰ চলায়। শ্ৰীমোদীয়ে আজি পাঞ্জাবৰ পাটিয়ালা চহৰতো নিৰ্বাচনী সভাক সম্বোধন কৰে। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে দেশৰ ১৪০ কোটি ভাৰতীয়ই এন ডি এ চৰকাৰৰ প্ৰগতিকামী পদক্ষেপসমূহ উপলব্ধি কৰিছে বুলি মন্তব্য কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ দুমৰীয়াগঞ্জ লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিজৰ ভাষণত নেতাগৰাকীয়ে কয় যে, এন ডি এ চৰকাৰে সন্ত্ৰাসবাদ আৰু নক্সালবাদৰ অন্ত পেলাই দেশত সমৃদ্ধিশালী কৰাৰ সপোন দেখিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ওড়িশাৰ ছম্বলপুৰ আৰু চম্পুৱাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। দলৰ নেতা তথা সাংসদ বৰুণ গান্ধীয়ে আজি ছুলতানপুৰ সমষ্টিত দলৰ প্ৰাৰ্থী মানেকা গান্ধীৰ হৈ প্ৰচাৰ চলায়।

দিল্লীতো আজি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে প্ৰচাৰ অভিযানৰ অন্তিম দিনা ব্যাপক প্ৰচাৰ চলায়। দিল্লীৰ সাতোখন আসনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিছে। ৰাজনৈতিক দলসমূহে ৰোড শ্ব’, নিৰ্বাচনী সভা আৰু ঘৰে ঘৰে গৈ চলোৱা প্ৰচাৰৰ জৰিয়তে ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলায়। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি পশ্চিম দিল্লী লোকসভা সমষ্টিৰ দ্বাৰকাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। দলীয় প্ৰাৰ্থীৰ সমৰ্থনত দিয়া ভাষণত তেওঁ কয় যে, ভাৰতবৰ্ষই ৰামৰাজ্যৰ উত্থান দেখিবলৈ পোৱাটো নিশ্চিত আৰু ইয়াত কোনেও প্ৰতিহত কৰিব নোৱাৰে। দলৰ আন এগৰাকী জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলেও পশ্চিম দিল্লীৰ নজফগড় এলেকাত এটা ৰোড শ্ব’ত অংশগ্ৰহণ কৰে। আনহাতে, বিজেপি নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে চান্দনী চ’ক সংসদীয় সমষ্টিৰ অশোক বিহাৰ এলেকাত এটা ৰোড শ্ব’ত ভাগ লোৱাৰ বিপৰীতে

দলটোৰ নেতা ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই উত্তৰ-পশ্চিম দিল্লীৰ সংসদীয় সমষ্টিৰ ৰোহিণী এলেকাত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

ংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি উত্তৰ-পূব দিল্লীৰ সংসদীয় সমষ্টিৰ দিলশ্বাদ গাৰ্ডেন এলেকাৰ এখন নিৰ্বাচনী সভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত ভাগ লয়।

ooooo

তেজপুৰৰ ঐতিহাসিক তৰুণ অসম সংঘৰ ৯৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সংগতি ৰাখি আজি এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ১৯৩০ চনত লক্ষীধৰ শৰ্মাৰ নেতৃত্বত জাতীয় চেতনাবোধেৰে উদ্বুদ্ধ ছাত্ৰ-ছাত্ৰীসকলক লৈ গঠন হোৱা অনুষ্ঠানটোৰ আজি প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি সংঘৰ প্ৰেক্ষাগৃহত এখন গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত তৰুণ অসম সংঘৰ জ্যেষ্ঠ সদস্য প্ৰণৱ কুমাৰ মজুমদাৰক এখনি ফুলাম গামোছা, অঙ্গ বস্ত্ৰ, স্মাৰক আৰু সম্বৰ্দ্ধনা পত্ৰৰে সন্মান জনোৱা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সংঘৰ ৯৫ বছৰীয়া ইতিহাস সম্বলিত এখন গ্ৰন্থ উন্মোচন কৰা হয়। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই তৰুণ অসম সংঘই সাংস্কৃতিক, ক্ৰীড়া আৰু নাট্যজগতলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে মন্তব্য প্ৰকাশ কৰে।

ooooo

গোলাঘাট জিলাৰ বোকাখাটত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে **ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ ২০২৪** আৰম্ভ হৈছে। শিশু বিজ্ঞান সমিতি, অসমৰ উদ্যোগত আৰু বোকাখাট জাতীয় বিদ্যালয়ৰ সহযোগত এই সমাৰোহ অনুষ্ঠিত হৈছে। শিশুসকলৰ মনৰ পৰা অন্ধবিশ্বাস দূৰ কৰি বৈজ্ঞানিক মানসিকতা গঢ় দিয়াৰ উদ্দেশ্যৰে এই সমাৰোহৰ আয়োজন কৰা হৈছে। আজি প্ৰথম দিনাৰ কাৰ্যসূচীত পুৱা পতাকা উত্তোলন, স্মৃতিতৰ্পন আৰু প্ৰদৰ্শনী মুকলিৰ পাছতে সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। উদ্বোধনী অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০ ভৱেশ চন্দ্ৰ গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত শিশু বিজ্ঞান সমাৰোহত আঠখন জিলাৰ ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ প্ৰায় ১০০গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে বোকাখাট মহকুমাৰ ৩৫খনৰো অধিক বিদ্যালয়ৰ ২৫০ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

ooooo

ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু অস্মিতা চলিহাই মালয়েছিয়াৰ কুৱালামপুৰত অনুষ্ঠিত মালয়েছিয়া বেডমিণ্টন প্ৰতিযোগিতা কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি প্ৰি-কোৱাৰ্টাৰত অস্মিতাই আমেৰিকাৰ প্ৰতিদ্বন্দ্বীক ২১-১৯, ১৬-২১, ২১-১২ৰ ব্যৱধানত পৰাজিত কৰে। আনহাতে সিন্ধুৱে দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক ২১-১৩, ১২-২১, ২১-১৪ৰ ব্যৱধানত পৰাজিত কৰিছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন কৰ্মী, গুৱাহাটীৰ গাড়ীগাঁও নিৱাসী প্ৰফুল্ল চন্দ্ৰ দাসৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৭২ চনত কৰ্মজীৱনৰ পাতনি মেলা স্বৰ্গীয় দাসে ২০১২ চনত অৱসৰ গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু তিনিজন পুত্ৰ এৰি থৈ যায়।

ooooo

সমাপ্ত